# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 19-10-2024
**Time :** 18-00 Hrs.

***Assamese Evening Bulletin***
***::::::::::::::::::::::::::::::::::::***

ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে কালি অধিসূচনা জাৰি কৰাৰ লগে লগে সমষ্টিকেইটাত মনোনয়ন দাখিল প্ৰক্ৰিয়া আৰম্ভ হৈছে। উল্লেখযোগ্য যে ধলাই, চিদলী, বঙাইগাওঁ, বিহালী আৰু চামগুৰি সমষ্টিৰ বাবে অহা ১৩ নৱেম্বৰত উপ নিৰ্বাচন অনুষ্ঠিত হ'ব। ৫টা সমষ্টিত সৰ্বমুঠ ৯ লাখ ১০ হাজাৰ ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰিব। নিৰ্বাচন হ'বলগীয়া সমষ্টিকেইটাত মুঠ এহেজাৰ ৭৮টা ভোটকেন্দ্ৰ স্থাপন কৰা হ'ব। এই পাঁচোটা সমষ্টিত সমষ্টি পুনৰ নিৰ্ধাৰণৰ পূৰ্বে থকা অঞ্চলসমূহ সামৰি এই নিৰ্বাচন অনুষ্ঠিত হ'ব।

চামগুৰি বিধানসভা সমষ্টিত হবলগীয়া উপ নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি নগাঁও জিলাৰ ছপাশালসমূহত পুস্তিকা, পোষ্টাৰ আদি ছপাৰ ক্ষেত্ৰত জনপ্ৰতিনিধিত্ব আইন ১৯৫১ ৰ ১২৭ (ক) ধাৰাত থকা নিষেধাজ্ঞা সমূহ মানি চলিবলৈ নিৰ্দেশ দিয়া হৈছে। জিলা দণ্ডাধীশ তথা জিলা নিৰ্বাচনী বিষয়াই এই ক্ষেত্ৰত কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে। এই অনুসৰি কোনো ব্যক্তিয়ে ছপাকাৰী আৰু প্ৰকাশকৰ নাম-ঠিকনা অবিহনে কোনো পুস্তিকা বা পোষ্টাৰ ছপা কৰিব নোৱাৰিব। তদুপৰি ৰাজনৈতিক দল বা প্ৰতিদ্বন্দিতা আগবঢ়োৱা প্ৰাৰ্থীৰ দ্বাৰা নিৰ্বাচন আয়োগ আৰু জিলা প্ৰশাসনৰ আগতীয়া অনুমতি অবিহনে জনসমাগম, শোভাযাত্ৰা, ৰাজহুৱা সভা আদি অনুষ্ঠিত কৰাত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। পূৰ্বে অনুমতি ল'লেও কোনো দল অথবা প্ৰাৰ্থীয়ে নিশা দহ বজাৰ পাছত নিৰ্বাচনী প্ৰচাৰ চলাব নোৱাৰিব। একেদৰে উচতনিমূলক, সাম্প্ৰদায়িক, ৰাষ্ট্ৰবিৰোধী, জাতীয়তা বিৰোধী, ভাষণ বা শ্লোগান, আপত্তিজনক আৰু বিভিন্ন বৰ্ণ ভাষিক বা ধৰ্মীয় গোটক আঘাট হানিব পৰা বিষয় লৈ যুগুত কৰা বেনাৰ পোষ্টাৰ আদিও নিষিদ্ধ কৰা হৈছে। যিকোনো উদ্দেশ্যৰ বাবে অনুদান সংগ্ৰহ, আগ্নেয়াস্ত্ৰ, বিস্ফোৰক সামগ্ৰী আদি কঢ়িয়াই নিয়াৰ ক্ষেত্ৰতো নিষেধাজ্ঞা আৰোপ কৰা হৈছে। অৱশ্যে আইন প্ৰয়োগকাৰী কৰ্মী, বিদ্যালয় আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, চৰকাৰী বিষয়া, কৰ্মচাৰী, আদিৰ ক্ষেত্ৰত এই নিষেধাজ্ঞা প্ৰযোজ্য নহ'ব।

ইপিনে, জিলাখনত উপ নিৰ্বাচনৰ সময়ত আইন শৃংখলা পৰিস্থিতি অটুত ৰখাৰ বাবে এটা নিয়ন্ত্ৰণ কোষ স্থাপন কৰা হৈছে। এই কোষৰ টোল ফ্ৰি নম্বৰ ১০৭৭ আৰু লেণ্ডলাইন নম্বৰ ০৩৬৭ ২৩৮০০০ লৈ ফোন কৰি জনসাধাৰণে নিৰ্বাচনী প্ৰক্ৰিয়াক লৈ ওজৰ আপত্তি থাকিলে দাখিল কৰিব পাৰিব। ০

০০০

দুদিনীয়া ভ্ৰমণসূচীৰে চৰাইদেউ জিলালৈ অহা কেন্দ্ৰীয় গ্ৰামোন্নয়ন আৰু যোগাযোগ বিভাগৰ ৰাজ্য মন্ত্ৰী ডাঃ পেম্মাছানী চন্দ্ৰশেখৰে আজি বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ স্বীকৃতি পোৱা চৰাইদেউ মৈদামস্থলী ভ্ৰমণ কৰে। মৈদামক্ষেত্ৰত উপস্থিত হৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ৬০০ বছৰীয়া আহোম ৰাজত্বকালৰ গৌৰৱময় ঐতিহ্য বহন কৰা কীৰ্তিচিহ্নসমূহ

পৰিদৰ্শন কৰি আপ্লুত হয়। ইয়াৰ পূৰ্বে ডা০ চন্দ্ৰশেখৰে জিলাখনৰ বিভিন্ন ঠাইত চৰকাৰী আঁচনিসমূহ পৰিদৰ্শন কৰে। সোণাৰী উন্নয়ন খণ্ডৰ ভজোত অমৃতসৰোবৰ পৰিদৰ্শন কৰি বিভাগীয় কৰ্তৃপক্ষৰ লগত মত বিনিময় কৰাৰ লগতে বিভিন্ন আত্মসহায়ক গোটৰ মহিলা তথা জবকাৰ্ড শ্ৰমিকৰ লগতো বাৰ্তালাপ কৰে। মন্ত্ৰীগৰাকীৰ জিলাখনৰ ভ্ৰমণ সন্দৰ্ভত চৰাইদেউৰ পৰা আমাৰ সংবাদদাতা নবুল কোঁৱৰ-

**ভইচ কাষ্ট**

০০০

যোৰহাট জিলা আয়ুক্তই জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াৰ উপস্থিতিত আজি উত্তৰ পশ্চিম যোৰহাট উন্নয়ন খণ্ডৰ অধীনত গাঁওপঞ্চায়তসমূহত প্ৰধানমন্ত্ৰী আৱাস যোজনা আঁচনিৰ কাম-কাজৰ পৰিদৰ্শন কৰে। আয়ুক্তগৰাকীয়ে উন্নয়ন খণ্ডটোৰ সকলো গাঁও পঞ্চায়তৰ কৰ্মচাৰীসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকতো মিলিত হয়। বৈঠকত খণ্ড উন্নয়ন বিষয়া আৰু সহকাৰী অভিযন্তাও উপস্থিত থাকে।

০০০

চৰাইদেউ জিলাৰ কৃষকসকলৰ সুবিধাৰ্থে আজিৰে পৰা ২৫  অক্টোবৰলৈ প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধি আঁচনিৰ পৰিপূৰ্ণতা অভিযান ৰূপায়ণ কৰা হৈছে। জিলাখনত এই আঁচনিৰ সুবিধা এতিয়ালৈ লাভ নকৰা নাইবা এই আঁচনিৰ সুফল লাভ কৰাত সমস্যাৰ সন্মুখীন হোৱা কৃষকসকলৰ সুবিধাৰ্থে বিশেষ শিবিৰৰ আয়োজন কৰা হৈছে। যিসকল কৃষকে অনলাইন আবেদন কৰি সংযোজন এক প্ৰপত্ৰখন যাৱতীয় নথিপত্ৰৰ সৈতে জমা দিয়া নাই তেঁওলোকক এই শিবিৰত জমা দিবলৈ অনুৰোধ জনোৱা হৈছে। নিৰ্ধাৰিত সময়ৰ ভিতৰত নথিপত্ৰ জমা নিদিয়া কৃষকসকলক অযোগ্য হিচাপে ঘোষণা কৰা হ'ব। উল্লেখযোগ্য যে কৃষি বিভাগৰ সহযোগত গাওঁ পঞ্চায়ত সমূহত ২৫ অক্টোবৰলৈ চলিবলগীয়া শিবিৰসমূহত কৃষকসকলে মাটিৰ জমাবন্দি, ই-কে ৱাই চি আদিৰ বাবে আবেদন পত্ৰ নাইবা প্ৰপত্ৰ জমা দিব পাৰিব। ইয়াৰ ফলত কৃষকসকলে কিষাণ সন্মান নিধিৰ পৰৱৰ্তী কিস্তিসমূহ সহজে লাভ কৰিবলৈ সমৰ্থ হ'ব।

০০০

শিশুসকলৰ সৃজনীশীলতাক ৰং আৰু কল্পনাৰ তুলিকাৰে জিলিকাই তোলাৰ প্ৰয়াসেৰে যোৰহাট জিলা আৰক্ষী অধীক্ষকৰ উদ্যোগত এখন চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। যোৰহাট পুলিচ ৰিজাৰ্ভত অনুষ্ঠিত প্ৰতিযোগিতাখনত জিলাখনৰ বিভিন্ন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। শিশুসকলৰ সৃষ্টিশীলতাৰ উদযাপনৰ জৰিয়তে সামাজিক বান্ধোন সুদৃঢ় কৰাৰ স্বাৰ্থত যোৰহাট আৰক্ষীয়ে এই সাংস্কৃতিক প্ৰয়াস হাতত লৈছে বুলি বিভাগীয় কৰ্তৃপক্ষই জানিবলৈ দিছে।

০০০

ঃঃ সমাপ্ত ঃঃ